চাৰিটা দিশৰ আলোচনা সন্নিৱিষ্ট কৰা হৈছে। তাৰে প্ৰথমটো বিভাগ 'বিবিধ ৰচনা' সম্পৰ্কে পূৰ্বৱৰ্তী চাৰিটা অধ্যায়ত আলোচনা কৰা হ'ল। এতিয়া এই খণ্ডটোৰ তিনিটা অধ্যায়ত 'শিশু-সাহিত্য আৰু কল্প-বিজ্ঞান' সম্পৰ্কে আপুনি অধ্যয়ন কৰিব। তাৰে প্ৰথমটো অধ্যায় মানে এই অধ্যায়টিৰ জৰিয়তে আপুনি শিশু সাহিত্যৰ সংজ্ঞা, অৰ্থ, ইতিহাস, বৈশিষ্ট্য, শ্ৰেণীবিভাজন, বিষয়বস্তু, উপস্থাপনশৈলী, ভাষা, ৰচনাৰীতি আৰু মনস্তাত্ত্বিক দিশ সম্পৰ্কে জানিবলৈ সক্ষম হ'ব। লগতে অসমীয়া শিশু সাহিত্যৰ উদ্ভৱ আৰু বিকাশ, সাম্প্ৰতিক সময়ৰ অসমীয়া শিশু সাহিত্য আৰু অসমীয়া সাহিত্যত শিশু সাহিত্যৰ স্থান সম্পৰ্কেও সামগ্ৰিক আভাস লাভ কৰিব।

৫.৩ শিশু সাহিত্য

শিশু বুলি ক'লে সাধাৰণতে মাতৃগৰ্ভত সন্তানৰ স্থিতি লাভ হোৱাৰে পৰা আৰম্ভ কৰি 12 বছৰ বয়সলৈকে এই সময়ছোৱাৰ যিকোনো লিংগৰ ব্যক্তিক বুজোৱা হয়। শিশুৰ মন অলেখ শক্তিপুঞ্জ আৰু সম্ভাৱনাৰ আধাৰ। ক্ৰমবৰ্ধমান জীৱ শিশুৰ মাজত প্ৰতিদিনে নতুন শক্তি আৰু দক্ষতাৰ উন্মেষ ঘটে। শিশুৰ মানসিক বিকাশৰ ক্ষেত্ৰত শিশু সাহিত্যই উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰি আহিছে। শিশু উপযোগী সাহিত্যিক মৰ্যাদা সম্পন্ন ৰচনাসমূহকে শিশু সাহিত্য আখ্যা দিয়া হয়। প্ৰত্যেক ভাষাৰ শিশু সাহিত্যৰ মূল উৎস হ'ল মৌখিক সাহিত্য। মৌখিক উপকথা, ৰূপকথা আদিৰ মাজেদি প্ৰত্যেক ভাষাৰ শিশু-সাহিত্যই ক্ৰমান্বয়ে বিকাশ লাভ কৰি বৰ্তমানৰ অৱস্থা পাইছেহি। অসমীয়া সাহিত্যও ইয়াৰ ব্যাতিৰেক নহয়। তলত এই বিষয়ে আলোচনা কৰা হ'ল।

৫.৩.১ সংজ্ঞা, অৰ্থ আৰু ইতিহাস

শিশু সাহিত্য বুলিলে শিশুৰ উপযোগী সাহিত্য নে শিশুৱে ৰচনা কৰা সাহিত্য, সেই কথাষাৰ বৰ স্পষ্ট নহয়। *Encyclopedia of Britanica* -ৰ মতে শিশু সাহিত্য হ'ল —

> Children literature first clearly emarged as the distnict and undependent form of literature in the second half of the 18th century, before which it had been at best only embryonic. During the 20th century, however its growth has been so luxurient as to make defensible its claim to be regerded with the respect through perhaps that the solemnity due only other recognised branch of literature. (Britanica, p. 228).

গতিকে দেখা যায় যে, শিশু সাহিত্য বুলিলে সাধাৰণতে শিশুসকলৰ কাৰণে উপযোগী সাহিত্যক বুজায়। এককথাত শিশুসকলৰ বাবে যি সাহিত্য অৰ্থাৎ গল্প, কবিতা, পদ্য, সাধু, উপন্যাস, কাহিনী, নাটক, প্ৰবন্ধপাতি ৰচনা কৰা হয়, সেয়াই শিশু সাহিত্য। শিশু সাহিত্যৰ বৈশিষ্ট্যসমূহ তলত দিয়া ধৰণে লিপিবদ্ধ কৰিব পাৰি—

ধর্মগ্রন্থ আদিৰ নানা কাহিনী কণ-কণ ল'ৰা-ছোৱালীবিলাকে জ্যেষ্ঠজনৰ পৰা শুনি আনন্দৰ লগতে নীতি শিক্ষামূলক জ্ঞানো লাভ কৰিছিল। প্ৰাচীন সাহিত্যৰাজি যেনে — *ৰামায়ণ, মহাভাৰত, ইলিয়াড, ওডিছি, হিতোপদেশ, জাতকমালা, উপনিষদ, পঞ্চতন্ত্ৰ, ইছপৰ সাধু, বাইবেলৰ ওল্ড টেষ্টামেণ্ট* আদি শিশুৰ বাবে ৰচনা কৰা হোৱা নাছিল যদিও এই গ্ৰন্থসমূহৰ কাহিনী বা সাধু জ্যেষ্ঠজনৰ পৰা শুনি শিশুসকলে সাহিত্য ৰসৰ সোৱাদ লাভ কৰিছিল। মধ্যযুগৰ ইউৰোপত ৰবিনহুডৰ কাহিনী, ৰজা আর্থাৰৰ কাহিনী, বেউলফৰ কাহিনী আদিয়ে ল'ৰা-ছোৱালীক বৰ আনন্দ দিছিল। সেই সময়ৰ ইংলেণ্ডত *কেণ্টাৰবেৰী টে'লছ*ৰ দৰে ডাঙৰৰ কিতাপৰ কাহিনীৰ মাজতো শিশুৱে আনন্দৰ সমল বিচাৰি পাইছিল। এই কথাবোৰলৈ লক্ষ্য কৰিয়েই পাশ্চাত্যত, ঘাইকৈ ইউৰোপত শিশুৰ বাবে সাহিত্যৰ এক বিশেষ শ্ৰেণীৰ শাখা মুকলি কৰাৰ চিন্তা-চৰ্চা হ'বলৈ ধৰে আৰু ঊনৈশ শতিকাৰ আৰম্ভণিত জার্মানীৰ জেকব গ্ৰীম আৰু উইলহেল্ম গ্ৰীম নামৰ দুজন ককাই-ভায়ে লিখা *গ্ৰীমছ ফেয়াৰী টে'লছ* নামৰ সাধুকথাৰ পুথিখনে এই দিশত যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ইয়াৰ কিছু বছৰৰ পাছত ডেনমার্কৰ হেন্স এণ্ডাৰছেনৰ *এণ্ডাৰছেনছ ফেয়াৰী টে'লছ* নামৰ সাধুকথাবোৰকো শিশু সাহিত্য হিচাপে ধৰিব পৰা যায়। এনেদৰেই ঊনৈশ শতিকাৰ মাজভাগৰ পৰা ইংলেণ্ডৰ লগতে ইউৰোপৰো অন্যান্য ঠাইত শিশুৰ বাবে গল্প-কবিতা, উপন্যাস আদি সাহিত্য ৰচনাৰ পৰম্পৰা সূচনা হয়। বিশেষকৈ *দা উইণ্ড অব দা উইলোজ, ট্ৰেজাৰ আইলেণ্ড, ব্লেক বিউটি, এলিছ ইন ৱণ্ডাৰলেণ্ড* আদি কিতাপৰ প্ৰকাশৰ লগে লগে বিশ্ব সাহিত্যৰ জগতখনত শিশু সাহিত্যৰ ৰচনাৰ জয়যাত্ৰা আৰম্ভ হৈছিল বুলি ক'ব পাৰি। ইউৰোপত আৰম্ভ হোৱা শিশু সাহিত্য চৰ্চাৰ এই জয়যাত্ৰাৰ ঢৌ কুৰি শতিকাত পৃথিৱীৰ চুকে-কোণে বিয়পি পৰে।

ঠিক সেইদৰে অতি প্ৰাচীন কালৰে পৰাই ভাৰতীয় সাহিত্যত ৰূপকথা, উপকথা আদিৰ জৰিয়তে শিশু উপযোগী কল্পনা আৰু অনুভূতিয়ে বিকশিত ৰূপ লাভ কৰি আহিছে। উপনিষদত বর্ণিত উপমন্যু, নচিকেতা, শ্বেতকেতু আদি শিশু চৰিত্ৰৰ সৈতে বাস্তৱ জগতৰ শিশুৰ সাদৃশ্য বিচাৰি পোৱাটো কঠিন। কিয়নো তেওঁলোকে শৈশৱতেই ব্ৰহ্ম জ্ঞানৰ ধাৰক হৈ ধৰা দিছে আৰু তাৰ ফলত তেওঁলোক বাস্তৱৰ শিশু জীৱনৰ যথার্থ প্ৰতিনিধি হৈ উঠিব পৰা নাই। *শ্ৰীমদ্ভাগৱত* পুৰাণত কৃষ্ণৰ বাল্য জীৱনৰ যি সুন্দৰ চিত্ৰ প্ৰতিফলিত হৈছে তাত ঐশ্বৰিক ভাবৰ প্ৰাধান্য আছে যদিও তাৰ বহুখিনি বর্ণনাই চিৰন্তন শিশু ৰূপৰ মাধ্যমেদি ভাৰতীয় সাহিত্যত শিশু সাহিত্যৰ উপাদানৰূপে সাধাৰণ জনসাধাৰণৰ মনত প্ৰভাৱ বিস্তাৰ কৰে। বাংলা সাহিত্যৰ ছড়াসমূহে ইংৰাজী সাহিত্যৰ নার্চাৰী ৰাইম্‌চ বোৰৰ দৰেই শিশু সাহিত্যৰ ইতিহাসত এক বিশেষ গুৰুত্বপূৰ্ণ স্থান লাভ কৰি আহিছে।

অসমত শিশু সাহিত্যৰ আৰম্ভণি হৈছিল প্ৰাচীন যুগত মুখ বাগৰা সাধু, ওমলা গীত, নিচুকনি গীত আদিৰ যোগেদিয়েই। ধাইনাম বা নিচুকনি গীত, ওমলা গীত আৰু

কলিতা, দীনেশ গোস্বামী, স্বাধীনতা মহন্ত, শান্তনু তামুলী, বন্দিতা ফুকনকে আদি কৰি বহুতো সাহিত্যিকৰ ৰচনাৰে অসমীয়া শিশু সাহিত্যৰ ভঁৰালটো চহকী হৈ আছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ আধুনিক অসমীয়া শিশু সাহিত্যৰ জন্ম কোনখন আলোচনীত হয়?

.....

প্রশ্ন নং ২ ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ *বুঢ়ী আইৰ সাধু* কেতিয়া প্রকাশিত হৈছিল?

.....

শিশুক উদ্দেশ্য কৰি ৰচনা কৰা সাহিত্যৰাজিক আমি তলত উল্লেখ কৰা ধৰণে ভাগ কৰি দেখুৱাব পাৰোঁ— নিচুকনি গীত বা ওমলা গীত, সাধুকথা, শিশু কবিতা, শিশু নাটক, শিশু উপন্যাস, বিজ্ঞানবিষয়ক আৰু আৱিষ্কাৰ সম্পর্কীয়, দুঃসাহসিক অভিযান আৰু ভ্রমণ কাহিনী, জীৱনীমূলক গ্রন্থ আৰু ক্রীড়া বিষয়ক গ্রন্থ। এই ভাগসমূহ শিৰোনামসমূহেই আমাক তাত অন্তর্ভুক্ত হ'ব পৰা বিষয়বস্তুৰ আভাস দিয়ে।

শিশু সাহিত্যত ভাষা আৰু ৰচনাৰীতি সম্পর্কেও সর্তক দৃষ্টি ৰখা অতিকৈ প্রয়োজন। ইয়াৰ ভাষা সৰল হোৱাৰ লগতে আকর্ষণীয় হোৱাও প্রয়োজন। অৱশ্যে বয়স অনুসৰি নতুন শব্দ প্রয়োগৰ সু-পৰিকল্পিত আঁচনি, বিমূর্ত্ত ভাব আৰু ধাৰণাসূচক শব্দৰ যথাসম্ভৱ পৰিহাৰ, ছড়াজাতীয় বা সুৰ লগাই গাব পৰা বা সহজে মুখস্থ কৰিব পৰা পদজাতীয় ৰচনাৰ সঘন প্রয়োগ, ভাষাৰ উৎকণ্ঠা সৃষ্টি কৰিব পৰা ক্ষমতা, জটিল বাক্যৰ পৰিহাৰ, শ্রুতি মধুৰ, অনুপ্রাসযুক্ত বাক্যৰ প্রয়োগে আৰু বিষয়বস্তুৰ লগত খাপখোৱা চিত্রৰ ব্যৱহাৰ — এই আটাইবোৰৰ সমাৱেশে শিশু সাহিত্য গ্রহণীয় কৰি তোলে।

শিশু সাহিত্যৰ ভাষা হ'ব লাগে সহজ-সৰল। আঁকোৱা-পঁকোৱা কথা শিশুৱে ভাল নাপায় আৰু শিশু সাহিত্যিকেও এই দিশটোৰ প্রতি গুৰুত্ব আৰোপ কৰাটো প্রয়োজনীয়। শিশুৰ কোমল মন, কোমল প্রাণ, সংসাৰৰ জটিলতা শিশুৰ অন্তৰে ঢুকি নাপায়। তেনে সৰল প্রাণ শিশুক কোনো কাৰণতে জটিল কথাবোৰৰ জৰিয়তে এক অনিশ্চিত ভৱিষ্যতলৈ ঠেলি পঠিওৱাটো যুক্তিসংগত নহয়।

সাহিত্যৰ বিভিন্ন শ্রেণীৰ শাখাসমূহৰ প্রকাশভংগীৰ একো একোটা নিজস্ব বৈশিষ্ট্য থাকে। শিশু সাহিত্যিকসকলৰ অন্তৰত ভাবৰ যি খলকনি উঠে তাকেই ভাষাৰ মাজেদি তেওঁলোকে সাহিত্যত ৰূপ দিয়ে। মানুহে নিজৰ সুখ-দুখ, অভাৱ-অভিযোগ আদিৰ অনুভূতি প্রকাশ কৰে সাহিত্যৰ মাজেৰে। ৰচনাৰ মাজতে লেখক যথার্থ ৰূপত জীয়াই থাকে। অর্থাৎ লেখক এজনৰ প্রকাশভংগীৰ মাজতে তেওঁৰ ব্যক্তিত্ব প্রকাশ পায়। ভাব, চিন্তা, অনুভূতি আদি বিভিন্ন লেখকে বিভিন্ন ধৰণে প্রকাশ কৰে, যাক

থাকিব লাগিব। জন্মৰ ঘৰখনেই শিশু কল্পনাৰ প্ৰথম পটভূমি। শিশুৱে মাক-বাপেক আৰু হাততে ঢুকি পোৱা জগতখনৰ পৰাই পৰিৱেশ পটভূমি নিৰ্মাণ কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ শিশু সাহিত্যৰ ভাষা সম্পৰ্কে চমুকৈ লিখক। (70 টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....

৫.৪ অসমীয়া শিশু সাহিত্য

লিখিত ৰূপত সাহিত্য চৰ্চা নোহোৱাৰ দিনৰে পৰা এতিয়া সাহিত্যৰ সকলো শাখাতে উন্নতি হোৱা দিনলৈকে অসমীয়া শিশু সাহিত্যও পাছ পৰি থকা নাই। অসমীয়া শিশু সাহিত্যতো বিভিন্ন সময়ৰ সমাজখনৰ চিত্ৰ প্ৰতিফলিত হৈছে। তলত এই বিষয়ে আলোচনা কৰা হ'ল।

৫.৪.১ উদ্ভৱ আৰু বিকাশ

অসমীয়া মৌখিক সাহিত্যত শিশুক কেন্দ্ৰ কৰি ৰচনা কৰা অলেখ গীত মাত আৰু কাহিনী আছে। মৌখিক সাহিত্যৰ ভিতৰুৱা শিশু সাহিত্যৰ ভিতৰত ঘাইকৈ ধাইনাম বা নিচুকনি গীত, ওমলা গীত আৰু সাধুসমূহ পৰে। শিশুৱে সহজে দেখা বা প্ৰাকৃতিক বস্তু বা জীৱ-জন্তুক কেন্দ্ৰ কৰি ভালেমান নিচুকনি গীত ৰচিত হৈছে। য'ত বাস্তৱ-অবাস্তৱৰ কথা নাহে। যেনে — "জোনবাই এ বেজী এটি দিয়া", "ৰ'দালি এ ৰ'দ দে", "বগলী এ সবাহলৈ নগলি কিয়?" ইত্যাদি। "'এই লৰা নিচুকওৱা ধাইনাম আৰু ল'ৰালিৰ গীতত শৈশৱৰ দেৱত্ব, নবীনত্ব আৰু লালিত্য সোমাই আছে।'"

অসমীয়া সাহিত্যই লিখিত ৰূপলৈ প্ৰসাৰ হোৱাৰ লগে লগে শিশু সাহিত্যৰো বিকাশ আৰু প্ৰসাৰ হ'বলৈ ধৰে। বৈষ্ণৱ যুগত বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে ৰচিত হ'লেও এই যুগৰ কেইখনমান পুথিত শিশু সাহিত্যৰ আভাস দেখিবলৈ পোৱা যায়। নিচুকনি গীতৰ আৰ্হিত বিষ্ণু অৱতাৰৰ লীলা মাহাত্ম্য প্ৰকাশ পাইছে শ্ৰীধৰ কন্দলীৰ *কাণখোৱাত*। সেইদৰে শংকৰদেৱৰ *কীৰ্তন* পুথিৰ 'প্ৰহ্লাদ চৰিত', 'শিশু লীলা', 'লীলা-মালা'; মাধৱদেৱৰ ৰগীতসমূহৰ উপৰি *চোৰধৰা, পিম্পৰা গুচোৱা, ভূমি লোটোৱা*; ৰাম

সাধু। বেণুধৰ শৰ্ম্মাই *ৰাংপতা* আৰু *লাতুমণি* নামৰ দুখন শিশু সাহিত্য ৰচনা কৰিছিল।

বিশ্বৰ শিশু সাহিত্যৰ কেইবাখনো উল্লেখনীয় সাধুকথাৰ পুথি এই সময়ছোৱাতে অসমীয়া ভাষালৈ ইতিমধ্যে অনুবাদ হৈছে। সুৰেন্দ্ৰ মোহন দাসৰ *টলষ্টয়ৰ সাধু,* অতুলচন্দ্ৰ হাজৰিকাৰ *এণ্ডাৰচনৰ সাধু* এই সময়ছোৱাত অসমীয়া ভাষাত অনূদিত উল্লেখনীয় বিদেশী সাধুৰ পুথি। ইয়াৰ উপৰি বিভিন্নজনে আৰু বহু সাধু কথাৰ পুথি অসমীয়ালৈ অনুবাদ কৰিছে। বিদেশী সাধুৰ অনূদিত সাধুকথাৰ সমান্তৰালভাৱে অসমীয়া শিশু সাহিত্যৰ কেইবাখনো মৌলিক সাধুকথাৰ পুথি সেই সময়ছোৱাত প্ৰকাশ পাইছিল। তাৰে ভিতৰত প্ৰসন্নলাল চৌধুৰীৰ *আমাৰ দেশৰ সাধু* উল্লেখযোগ্য। ইংৰাজীত অসমীয়া লেখকৰ দ্বাৰা প্ৰকাশিত কেইখনমান উল্লেখনীয় সাধু কিতাপ হ'ল প্ৰফুল্ল দত্ত গোস্বামীৰ *Tales of Assam*, বি. কে. বৰগোহাঞিৰ *Folk tales of Meghalaya and Arunachal Pradesh* ইত্যাদি।

শিশু সাহিত্যৰ বিভিন্ন উল্লেখযোগ্য দিশবোৰৰ ভিতৰত শিশু কবিতাবিলাক অন্যতম। বলদেৱ মহন্তৰ *শিশু উজু পাঠ* ছপা আখৰত প্ৰকাশিত অসমীয়া শিশু সাহিত্যৰ প্ৰথম কবিতাপুথি। জোনাকী যুগত আনন্দ চন্দ্ৰ আগৰৱালা, ধনাই বৰা, বলদেৱ মহন্ত, বিষয় বিশ্বাসী আৰু মহম্মদ চোলেমান খাঁই শিশুৰ মনোগ্ৰাহী কবিতাৰে শিশু কবিতাৰ জগতখনলৈ অৱদান আগবঢ়াইছিল। আৱাহন যুগত জ্যোতিপ্ৰসাদ আগৰৱালা, অতুলচন্দ্ৰ হাজৰিকা, নলিনীবালা দেৱী আদি সাহিত্যিকে অনেক কবিতাৰে অসমীয়া শিশু সাহিত্যৰ ভঁৰাল টনকিয়াল কৰে। অতুল চন্দ্ৰ হাজৰিকাৰ *মাণিকী মাধুৰী* আৰু *ৰুণুক জুনুক,* প্ৰেমধৰ দত্তৰ *শিয়ালৰ শিং* ইত্যাদি এই সময়ছোৱাত প্ৰকাশিত উল্লেখযোগ্য শিশু কবিতাৰ পুথি।

1940 চনৰ পৰা অসমীয়া সাহিত্যৰ বিভিন্ন দিশত পৰিৱৰ্তন ঘটিছে। এই সময়ছোৱাত প্ৰকাশিত পদ্য আৰু কবিতাৰো স্বাভাৱিকভাৱে পৰিৱৰ্তন ঘটিছে। জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'কুম্পুৰ সপোন', ''অক'মান ল'ৰা'', 'অকণিৰ সপোন', 'মাক আৰু সোণ'; ৰঘুনাথ চৌধাৰীৰ 'আমাৰ গাঁও' আৰু 'ঈশ্বৰ', যতীন্দ্ৰ নাথ দুৱৰাৰ 'প্ৰাৰ্থনা' আৰু 'ককা আৰু নাতি ল'ৰা', নবীন চন্দ্ৰ বৰদলৈৰ 'শিশুৰ হাঁহি', লক্ষ্যধৰ চৌধুৰীৰ 'মোৰ লক্ষ্য' প্ৰভৃতি কবিতা অসমীয়া সাহিত্যৰ উল্লেখযোগ্য শিশু কবিতা।

অসমীয়া শিশু সাহিত্যৰ বিকাশত গীতি নাট্য, নাটকৰ ভূমিকা উল্লেখযোগ্য। এইক্ষেত্ৰত কীৰ্তিনাথ বৰদলৈ আৰু মুক্তিনাথ বৰদলৈৰ যুটীয়া প্ৰচেষ্টাত ৰচিত *বাসন্তীৰ অভিষেক, লুইত কোঁৱৰ, সুৰ বিজয়* আৰু *মেঘাৱলী;* আনন্দ চন্দ্ৰ বৰুৱাৰ নৃত্য নাটিকা *কপৌ কুঁৱৰী, তেজীমলা, ফুলৰা;* পদ্মধৰ চলিহাৰ *কেনে মজা* উল্লেখযোগ্য।

অতুলচন্দ্ৰ হাজৰিকাৰ *দাতাকৰ্ণ, ছোহৰাব ৰুস্তম;* নলিনীবালা দেৱীৰ *প্ৰহ্লাদ, পাৰিজাত, অভিষেক, শেষপূজা;* মিত্ৰদেৱ মহন্তৰ *টেঙৰী বুটী,* লক্ষ্যধৰ চৌধুৰীৰ *একলব্য* হ'ল শিশুৰ বাবে অভিনয় উপযোগীকৈ ৰচিত শিশু নাট।

সৰু সৰু কথা, এণ্ডি খুৰাৰ সমিধান ইত্যাদি উল্লেখযোগ্য। জীৱজন্তুৰ বিষয়ে লিখা সচিত্ৰ পুথি, ফটোগ্ৰাফী সম্পৰ্কেও বিভিন্ন পুথি প্ৰকাশিত হৈছে। অৱশ্যে পৰৱৰ্তী সময়তহে এই ধাৰাটোৰ বিকাশ চকুত লগা ধৰণৰ।

প্ৰথম অসমীয়া শিশু আলোচনী *ল'ৰাবন্ধু* কৰুণাভিৰাম বৰুৱাই 1885 খ্ৰীষ্টাব্দত প্ৰকাশ কৰি উলিয়াইছিল। পিছৰ পৰ্যায়ত বহুসংখ্যক আলোচনী প্ৰকাশ হয়। উদাহৰণস্বৰূপে হেমচন্দ্ৰ গোস্বামীৰ সম্পাদনাত *অকণ*, ৰঘুনাথ চৌধাৰীৰ সম্পাদনাত *মইনা*, তুলসী নাৰায়ণ শৰ্ম্মাৰ সম্পাদনাত *পাৰিজাত*, গৌৰীকান্ত তালুকদাৰৰ সম্পাদনাত *দীপক* আদিৰ নাম ল'ব পাৰি।

বৰ্তমানলৈকে বহু গৰাকী লেখকে অসমীয়া শিশু সাহিত্যলৈ বিদেশী সাধু, কাহিনী আৰু উপন্যাসৰ অনুবাদ আগবঢ়াইছে। বিপিন চন্দ্ৰ বৰুৱাই *মাৰ্চেণ্ট অৱ ভেনিচ*ৰ অসমীয়া অনুবাদ *ভেনিচৰ সাউদ* প্ৰকাশ কৰে। এনেধৰণৰ কেইখনমান অনূদিত পুথি হ'ল — মহেন্দ্ৰ বৰাই কৰা একে নামৰ উপন্যাস *ডন কুইকচোট*, ৰবাৰ্ট লুই ষ্টিভেনছনৰ *মিষ্টিৰিয়াছ আইলেণ্ডৰ* হাৰুণাৰ ৰচিদে কৰা অনুবাদ *ৰত্নদ্বীপ*, অতুলচন্দ্ৰ হাজৰিকাই কৰা *গ্ৰীমৰ সাধু* আৰু হান্স এণ্ডাছনৰ *এণ্ডাৰচনৰ সাধু*, মেৰি লিংকৰ *ব্লু-বার্ডৰ* অনুবাদ *নীলা চৰাই*, প্ৰবীণা শইকীয়া তথা আবুল লেইছে কৰা *এলিচ ইন ৱাণ্ডাৰলেণ্ডৰ অজান দেশত এলিচ* আদি।

শিশুৰ জ্ঞানৰ বিকাশ আৰু মনোৰঞ্জনৰ উদ্দেশ্যে বিভিন্ন বিষয়ৰ ওপৰত বহুসংখ্যক পুথি অসমীয়া ভাষাত বৰ্তমানলৈকে প্ৰকাশিত হৈছে। সাহিত্যিক, শিল্পী, বিজ্ঞানী, মহাপুৰুষ, নেতা, ক্ৰীড়াবিদ আদিৰ জীৱনী, জনপ্ৰিয় বিজ্ঞানৰ প্ৰায় তিনি শতাধিক গ্ৰন্থ, স্বাস্থ্য বিজ্ঞান, পৰিৱেশ, বন্যপ্ৰাণী, ভ্ৰমণ, কুইজ, সাঁথৰ, সাধাৰণ জ্ঞান আদি বিষয়ৰ গ্ৰন্থও প্ৰকাশ পাইছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ নিৰ্মলপ্ৰভা বৰদলৈৰ শিশু উপযোগী কবিতা পুথি এখনৰ নাম লিখক।

.....

প্ৰশ্ন নং ৬ ঃ প্ৰথম অসমীয়া শিশু আলোচনীখনৰ নাম কি? এইখন কোনে কেতিয়া প্ৰকাশ কৰি উলিয়াইছিল?

.....

৫.৪.২ সাম্প্ৰতিক সময়ৰ অসমীয়া শিশু সাহিত্য

সাম্প্ৰতিক সময়ৰ বিশ্ব সাহিত্যত শিশু সাহিত্যৰ এক সন্মানীয় আৰু প্ৰভাৱশালী স্থান আছে। অসমীয়া সাহিত্যও ইয়াৰ উৰ্ধ্বত নহয়। উল্লেখযোগ্য যে, অসমীয়া সাহিত্যৰ

পোনাকনৰ সপোন, ৰংমনৰ কথা, সোনতৰা; নৱকান্ত বৰুৱাৰ *মাখনৰ কুকুৰা পোৱালী,* প্ৰণীতা দেৱীৰ *পৰীৰ দেশৰ সাধু,* ড° কেশৱানন্দ দেৱগোস্বামীৰ *ক'ৰ জানিলে কথা,* এলি আহমেদৰ *তৰাফুল,* ড° নবীন চন্দ্ৰ শৰ্মাৰ *আইৰ মুখৰ সাধু,* শৰৎ চন্দ্ৰ দত্তৰ *আদাক দেখি উঠিল গা,* কৈলাশ শৰ্মাৰ *পূৰ্বাঞ্চলৰ সাধু, সাতভনীৰ সাধু,* ড° সৰ্বেশ্বৰ ৰাজগুৰুৰ *বুৰঞ্জীৰ কাহিনী,* ৰমেশ চন্দ্ৰ কলিতাৰ *বুৰঞ্জীৰ বিচিত্ৰ কাহিনী,* ড° কৰবী ডেকা হাজৰিকাৰ *সেউজী মনৰ কাহিনী,* বিজয় কুমাৰ দত্তৰ *চৰাইৰ ৰজা হোৱা কথা* আদি উল্লেখযোগ্য। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে সাম্প্ৰতিক সময়ত কৰবী ডেকা হাজৰিকাই বেজবৰুৱাৰ *বুঢ়ী আইৰ সাধু, ককাদেউতা আৰু নাতি ল'ৰাৰ* সাধুবোৰ একেলগ কৰি *বেজবৰুৱাৰ সাধু* নাম দি প্ৰকাশ কৰিছে।

অসমীয়া শিশু সাহিত্যত শিশু উপযোগী বিজ্ঞানৰ পুথিও কিছুসংখ্যক ৰচিত হৈছে। সেইসমূহৰ ভিতৰত হৰিপ্ৰসন্ন দাসৰ *আৰিষ্কাৰৰ কাহিনী,* ডঃ প্ৰসন্ন কুমাৰ গোস্বামীৰ *ফুলৰ সাধু, জন্তুৰ সাধু,* ডঃ কালীনাথ শৰ্মাৰ *প্ৰকৃতিৰ পুতলা খেলা,* হৰেন্দ্ৰনাথ কলিতাৰ *আকাশৰ কথা, পৃথিৱীৰ কথা,* যোগেন্দ্ৰনাথ শইকীয়াৰ *পতংগৰ কথা,* কনকচন্দ্ৰ মহন্তৰ *চকুৰ আঁৰৰ নেদেখা কাহিনী,* বিনয় তামুলীৰ *মহাকাশ অভিযান,* ডঃ ভুবন মোহন দাসৰ *আদিম যুগৰ আদিম কথা,* যজ্ঞেশ্বৰ হাতীবৰুৱাৰ *শক্তি, শক্তি সংকট আৰু সৌৰশক্তি,* ডঃ দীনেশ চন্দ্ৰ গোস্বামীৰ *ট্ৰাইটনৰ অভিযান, টেলিগ্ৰাফ, টেলিফোন, টেপৰেকৰ্ডাৰ* আদি, অনিল চন্দ্ৰ ভট্টাচাৰ্যৰ *বিচিত্ৰ পৃথিৱীখন,* জীৱন দাসৰ *অকণিৰ অসমৰ চৰাই,* দীনেশ বৈশ্যৰ *বায়ু আৰু পানী,* ক্ষীৰধৰ বৰুৱাৰ *আকাশীযানৰ কথা,* শান্তনু তামুলীৰ *হে চন্দ্ৰ বিদায়, মহাকাশৰ তাৰকা, ইলেকট্ৰনিক নামৰ ল'ৰাটো, মায়ামৃগ;* বন্দিতা ফুকনৰ *মটৰ গাড়ী কেনেকৈ চলে? পৰীক্ষা কৰো আহা, কোনে কেনেকৈ কাম কৰে?;* ডঃ বিজয় কৃষ্ণ দেৱশৰ্মাৰ *তুলসীৰ তলে মৃগ পহু চৰে,* শিৱনাথ বৰ্মনৰ *টংক মামাৰ অংকৰ সাধু,* ৰথীন্দ্ৰনাথ গোস্বামীৰ *হৰি, অংক, জংক পংক* আৰু জুল ভাৰ্ণৰ *ফাইভ উইকছ্ ইন এ বেলুনৰ* অনুবাদ *বেলুনত পাঁচ সপ্তাহ*, হোমেন বৰগোহাঞিৰ *বেঞ্জামিন ফ্ৰেংকলিন, প্ৰতিভাৰ নতুন সংজ্ঞা দিয়া মানুহজন,* ড° দীনেশ চন্দ্ৰ গোস্বামীৰ *শতাধিক মহান বিজ্ঞানী* আদি শিশুৰ বাবে লিখা এক শ্ৰেণীৰ পুথি। অসমীয়া ভাষাত শিশুৰ বাবে *বিজ্ঞান বিশ্বকোষ* অসম বিজ্ঞান সমিতিয়ে পাঁচটা খণ্ডত প্ৰকাশ কৰি উলিয়াইছে। ইয়াৰ উপৰি অসম সাহিত্য সভাইও *শিশু জ্ঞানকোষৰ* তিনিটা খণ্ড প্ৰকাশ কৰিছে।

বিজ্ঞানৰ সূক্ষ্ম কথাবোৰ জানিবৰ বাবে শিশুৰ যেনেকৈ কৌতূহল হয় তেনেকৈয়ে ৰোমাঞ্চকৰ আৰু বীৰত্বপূৰ্ণ কাহিনীৰ প্ৰতি শিশুৰ স্বাভাৱিকতে আকৰ্ষণ হয়। শিশুৰ মনক খোৰাক দিব পৰা এনে ৰোমাঞ্চকৰ আৰু বীৰত্বপূৰ্ণ কাহিনী লৈ শিশু পুথি ৰচনা কৰা সাম্প্ৰতিক যুগৰ কেইজনমান শিশু সাহিত্যিক হ'ল — যোগেশ দাসৰ *আকৌ বনে বনে, ৰবিনহুড,* খগেন্দ্ৰনাথ বৰাৰ *আমি পাহাৰ বগাবলৈ যাওঁ,* বিৰাজ চৌধুৰীৰ *কুমায়ুনৰ মানুহ খোৱা বাঘ,* ডঃ হীৰালাল দুৱৰাৰ *মহাকাশ অভিযান,* ইন্দ্ৰকান্ত কাৰ্কীৰ

অসমীয়া শিশু নাটকৰ জগতখনক সমৃদ্ধ কৰাৰ ক্ষেত্ৰতো বহুকেইগৰাকী সাহিত্যিকৰ অৱদান আছে। নৱকান্ত বৰুৱাৰ *কেৰেলুৱা এণ্ড কোম্পানী,* নিৰ্মলপ্ৰভা বৰদলৈৰ *ৰজা* আৰু *বন্ধু;* উমাকান্ত শৰ্ম্মাৰ *শিশুৰ অভিনয়,* তফজ্জুল আলিৰ *অঘৰী ককাইদেউৰ গীত,* সত্যপ্ৰসাদ বৰুৱাৰ *ফুলকলি, সিংহগড়, অংগীকাৰ,* অৰুণ শৰ্মাৰ *পোহৰ,* ভবেন্দ্ৰনাথ শইকীয়াৰ *শান্ত-শিষ্ট, হৃষ্ট-পুষ্ট মহাদুষ্ট;* আনন্দিৰাম দাসৰ *শৰৎ যেতিয়া আহে,* ফণী তালুকদাৰৰ *সখী পাতো আহা,* যোগেন চেতিয়াৰ *ভাকুটকুট,* মহেন্দ্ৰ বৰুৱাৰ *টোপনি নহা ৰজা,* হৰেন্দ্ৰ নাথ বৰঠাকুৰৰ *ৰজাৰ দেউল,* অনিল শইকীয়াৰ *ফুলে ফুলে ৰূপে-গুণে,* ডঃ অৰূপ বৰঠাকুৰৰ *শিয়ালী পালেগৈ ৰতনপুৰ* আদি সাহিত্যিকৰ শিশু নাটক উল্লেখযোগ্য।

অসমীয়া ভাষাত শিশু উপযোগী জীৱনী ভালেসংখ্যক প্ৰকাশ পাইছে। এনেধৰণৰ উল্লেখযোগ্য জীৱনী কেইখনমান হ'ল — দীনেশ চন্দ্ৰ গোস্বামীৰ *শতাধিক মহান বিজ্ঞানী,* অদিতি বেজবৰুৱা আৰু কল্পনা দুৱৰাৰ *অনৱগুণ্ঠিতা,* সুৰেন্দ্ৰ কুমাৰ দাসৰ *অসমৰ চাৰিজনা মহাপুৰুষ,* আব্দুল মজিদ খানৰ *আমাৰ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ,* লীলা গগৈৰ *জয়মতী, মূলা গাভৰু;* হোমেন বৰগোহাঞিৰ *অন্তহীন প্ৰেৰণাৰ উৎস লুই পেষ্টিঅ'ৰ,* হিতেশ ডেকাৰ *জীৱনৰ ৰসাল কথাবোৰ,* হৰেন্দ্ৰনাথ শৰ্মাৰ *সময় বালিৰ খোজবোৰ,* ড° লীলা গগৈৰ *ল'ৰাৰ লাচিত,* নন্দ তালুকদাৰৰ *চিৰ চেনেহী মোৰ ভাষা জননী,* ডঃ প্ৰফুল্ল কটকীৰ *বিজ্ঞান ব্ৰতী,* তিলক চন্দ্ৰ মজুমদাৰৰ *আমি উভতি চাওঁ,* ডঃ যোগেন্দ্ৰ নাৰায়ণ ভূঞাৰ *কিশোৰৰ শংকৰদেৱ,* শশী শৰ্মাৰ *আমাৰ জ্যোতিপ্ৰসাদ,* কৈলাশ শৰ্মাৰ *লাল বাহাদুৰ শাস্ত্ৰী,* বসন্ত কুমাৰ শৰ্মাৰ *বুকাৰ ৰাশ্চিংটন,* প্ৰসেনজিৎ কুমাৰ গোস্বামীৰ *ল'ৰাৰ মিত্ৰদেৱ,* হেম বৰুৱাৰ *মহাবীৰ কৰ্ণ,* মিনতি হাজৰিকাৰ *মহৎ লোকৰ ল'ৰালি কাল,* ফনীন্দ্ৰ নাথ গায়নৰ *আলোক পথৰ অজেয় যাত্ৰী,* হৃষীকেশ গোস্বামীৰ *আমাৰ দেশৰ মহান নেতা,* ভবানী প্ৰসাদ অধিকাৰীৰ *সূৰ্যকুমাৰ ভূঞা,* সমীন কলিতাৰ *ৰৱেণ্য সাহিত্যিক,* ড° মৃদুস্মিতা ফুকনৰ *সময় বালিৰ সোণোৱালী খোজ,* বন্দিতা গোস্বামী শৰ্মাৰ *অসম গৌৰৱ, অকণিৰ লক্ষ্মীনাথ;* ডিম্বেশ্বৰ চেতিয়াৰ *অকণিৰ সতী জয়মতী,* ক্ষীৰদা কাকতিৰ *মহৎ লোকৰ জীৱনী,* অৰুন্ধতী দত্তৰ *বুৰঞ্জীৰ পাতৰ স্মৰণীয় ৰমণী,* প্ৰাণজিৎ বৰাৰ *বিখ্যাত লোকৰ অখ্যাত কাহিনী* আদি লেখত ল'ৰলগীয়া শিশু উপযোগী জীৱনী পুথি।

উপৰোক্ত শিশু সাহিত্যিকৰ শিশু সাহিত্য ৰচনাৰাজিৰ উপৰিও সাম্প্ৰতিক সময়ত দেশ-বিদেশৰ প্ৰখ্যাত সাহিত্যিকসকলৰ বহুকেইখন প্ৰখ্যাত শিশু গ্ৰন্থ অসমীয়ালৈ অনুবাদ হৈছে। সেইসমূহৰ ভিতৰত — থানেশ্বৰ হাজৰিকাৰ *দীন-দুখী,* ডঃ মহেন্দ্ৰ বৰাৰ *গালিভাৰৰ ভ্ৰমণ, নীল সাগৰৰ সাধু;* বিমল নাথৰ *ডেভিদ কপাৰফিল্ড,* নিৰুপমা বৰগোহাঞিৰ *অকণমানি কোঁৱৰ,* জয়ন্ত মাধৱ বৰাৰ *ৰত্নদ্বীপ,* আজিজুল হুছেইনৰ *মহাজাগতিক যুদ্ধ,* নৱকান্ত শইকীয়াৰ *মা, বুঢ়া আৰু সাগৰ,* ৰঞ্জু হাজৰিকাৰ *বিশ্বৰ শ্ৰেষ্ঠ*



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ গগণ চন্দ্র অধিকাৰীয়ে লিখা শিশু উপযোগী কবিতা পুথি কেইখনৰ নাম লিখক।

.....

প্রশ্ন নং ৮ ঃ সাম্প্রতিক সময়ত প্রকাশ পোৱা শিশু উপযোগী ভিন্ন স্বাদৰ ছবিৰে শিশুক শিক্ষা দিয়াৰ পুথি কেইখনমানৰ নাম লিখক।

.....

৫.৪.৩ অসমীয়া সাহিত্যত শিশু সাহিত্যৰ স্থান

অসমীয়া ভাষা-সাহিত্যৰ বিকাশত শিশু সাহিত্যই যথেষ্ট পৰিমাণে বৰঙণি যোগাইছে। শিশু হৈছে ভৱিষ্যত সমাজৰ জীৱন গঢ়োতা। সৰু অৱস্থাতে ল'ৰা-ছোৱালীক অধ্যয়নৰ প্রতি প্রবল অনুৰাগ জগাই তুলিব পাৰিলে দেশ তথা জাতিৰ ভৱিষ্যতৰ মংগল হয়। উৎকৃষ্ট শিশু সাহিত্যৰ প্রতি শিশু স্বাভাৱিকতে আকর্ষিত হয় আৰু সেই আকর্ষণ অধ্যয়নত পৰিণত হ'লে ডাঙৰলৈয়ো সেই অধ্যয়ন স্পৃহা থাকি যায়। লক্ষ্মীনাথ বেজবৰুৱাই "শিশু সাহিত্যই ভৱিষ্যত সমাজৰ ধৰণী" বুলি কৈছে। দেশ তথা সমাজৰ উন্নতিৰ বাবে উৎকৃষ্ট শিশু সাহিত্যৰ প্রয়োজন। শিশুৰ বুদ্ধি-বৃত্তিৰ সার্থক বিকাশ হৈ শিশুৱে সমাজত উপযুক্ত মানুহ হিচাপে প্রতিষ্ঠিত হ'বৰ বাবে সকলো ভাষাৰে সাহিত্যিকসকলে তেওঁলোকৰ উপযোগী সাহিত্য ৰচনা কৰি আহিছে। এইক্ষেত্রত অসমীয়া শিশু সাহিত্যও ব্যতিক্রম নহয়। মৌখিক সাহিত্যৰ পৰা বর্তমান সময়লৈ সাহিত্যৰ ক্রমবিকাশৰ এই সময়ছোৱাত শিশু সাহিত্যৰ মাধ্যমেদি সমাজৰ বিভিন্ন দিশৰ সার্থক ৰূপায়ন হৈছে। সেইখিনি কথা আগত উপ-শাখা দুটাত ইতিমধ্যে আলোচনা কৰা হৈছে।

অসমীয়া সাহিত্যত শিশু সাহিত্যই এক গুৰুত্বপূর্ণ স্থান দখল কৰি আহিছে। কিয়নো ঊনবিংশ শতিকাত পঢ়াশালিত প্রৱর্তনৰ বাবে অসমীয়া ভাষাত ৰচিত পাঠ্যপুথিত শিশু সাহিত্য চহকী কৰা পদ্য আৰু প্রবাদ আছিল। আনন্দৰাম ঢেকীয়াল ফুকনৰ *অসমীয়া ল'ৰাৰ মিত্রখন* নীতিশিক্ষা, বুৰঞ্জী আৰু ভূগোলৰ পাঠ্যপুথি আছিল। অসমীয়া গদ্যৰ বিকাশত এই পুথিখন উৎকৃষ্ট দৃষ্টান্ত। তাৎপর্যপূর্ণ কথা যে, অসমীয়া গদ্য সাহিত্যৰ ভেঁটিও অসমীয়া শিশু সাহিত্যৰ মাজেৰেহে প্রতিষ্ঠিত হৈছিল।

বর্তমান সময় বিজ্ঞান আৰু প্রযুক্তিবিদ্যাৰ প্রসাৰৰ যুগ। সাধুকথা, অনূদিত সাধু, শিশু কবিতা, শিশু উপন্যাসসমূহৰ সৃষ্টিৰ জৰিয়তে শিশু সাহিত্যই প্রসাৰতা লাভ কৰে। আশী দশকৰ পূর্বৰ আৰু আজিৰ শিশুৰ পৰিৱেশ আৰু মানসিকতাৰ আমূল পৰিৱর্তন ঘটিছে। এই ক্ষেত্রত শিশুকেন্দ্রিক আলোচনীৰ ভূমিকা যথেষ্ট বেছি। তদুপৰি

শিশু সাহিত্যৰ আৰম্ভণি হৈছিল প্ৰাচীন যুগত মুখ বাগৰা সাধু, ওমলা গীত, নিচুকনি গীত আদিৰ যোগেদিয়েই। অৱশ্যে অসমীয়া সাহিত্যই লিখিত ৰূপলৈ প্ৰসাৰ হোৱাৰ লগে লগে শিশু সাহিত্যৰো বিকাশ আৰু প্ৰসাৰ হ'বলৈ ধৰে। বৈষ্ণৱ যুগত বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে ৰচিত হ'লেও এই যুগৰ কেইখনমান পুথিত শিশু সাহিত্যৰ আভাস দেখিবলৈ পোৱা যায়। এই বিষয়ে অধ্যায়টিত বিতংভাৱে আলোচনা কৰা হৈছে।

- আধুনিক অসমীয়া শিশু সাহিত্যৰ জন্ম 1846 চনত *অৰুণোদই* আলোচনীৰ যোগেদি হয় যদিও প্ৰকৃতাৰ্থত 1886 চনত কৰুণাভিৰাম বৰুৱাৰ সম্পাদনাত প্ৰকাশ পোৱা প্ৰথম অসমীয়া শিশু আলোচনী *ল'ৰা বন্ধুৰেই* ইয়াৰ বাটকটীয়া। অসমীয়া শিশু সাহিত্যক বিষয়বস্তু অনুসৰি নিচুকনি গীত বা ওমলা গীত, সাধুকথা, শিশু কবিতা, নাটক, উপন্যাস, বিজ্ঞান বিষয়ক আৰু আৱিষ্কাৰ সম্পৰ্কীয়, দুঃসাহসিক অভিযান আৰু ভ্ৰমণ কাহিনী, জীৱনীমূলক আৰু ক্ৰীড়া বিষয়ক আদি বিভিন্ন ভাগত ভাগ কৰি অধ্যায়টিত আলোচনা কৰা হৈছে।
- স্বৰাজোত্তৰ কালত অসমীয়া সাহিত্যৰ বিভিন্ন দিশৰ লগতে শিশু সাহিত্যৰো উল্লেখযোগ্য পৰিৱৰ্তন পৰিলক্ষিত হয়। সাহিত্যত ক্ৰমান্বয়ে পূৰ্বৰ গতানুগতিক ধাৰা হ্ৰাস পাবলৈ ধৰে। সময়ৰ প্ৰতি গুৰুত্ব দিয়েই সাহিত্যিকসকলে বাস্তৱ উপযোগী ভিন্ন স্বাদৰ বিভিন্ন শিশু সাহিত্য ৰচনাত হাত দিয়ে। সাম্প্ৰতিক সময়ত অসমীয়া শিশু সাহিত্যই ৰাষ্ট্ৰীয় পৰ্যায়তো স্থান লাভ কৰা কথাটোৱে শিশু সাহিত্যৰ উন্নতিৰ কথাকে সূচাইছে। অধ্যায়টিত শিশু সাহিত্যৰ লগত সম্পৰ্কীত বিষয়ৰ লগতে অসমীয়া শিশু সাহিত্যৰ উদ্ভৱ, বিকাশ আৰু অসমীয়া সাহিত্যত ইয়াৰ স্থান সম্পৰ্কে বহলাই আলোচনা কৰা হ'ল।



৫.৬ অধিক জানিবলৈ

1) তামুলী, শান্তনু (2010); *অসমীয়া শিশু-সাহিত্য সমীক্ষা;* যোৰহাটঃ মৌচাক প্ৰকাশন।
2) ডেকা, হৰেকৃষ্ণ (সম্পা.) (জানুৱাৰী, 2009); *গৰীয়সী;* গুৱাহাটী ঃ সাহিত্য প্ৰকাশ।
3) নেওগ, মহেশ্বৰ (2000); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটীঃ চন্দ্ৰ প্ৰকাশ।
4) বৰকটকী, উপেন্দ্ৰ (2002); *অসমীয়া শিশু সাহিত্যৰ সংক্ষিপ্ত ইতিহাস;* গুৱাহাটীঃ ষ্টুডেণ্টচ্ ষ্ট'ৰচ।
5) বৰা, লক্ষ্মীনন্দন (সম্পা.) (জানুৱাৰী, 2011); *গৰীয়সী;* গুৱাহাটী ঃ সাহিত্য প্ৰকাশ।
6) বৰা, মনালিছা আৰু ৰেখা কলিতা (সম্পা.) (2015); *অসমীয়া শিশু সাহিত্যৰ সমীক্ষাত্মক অধ্যয়ন,* গুৱাহাটীঃ এন. এল পাব্লিকেশ্বন্ছ।
7) শৰ্মা, সত্যেন্দ্ৰনাথ (1995); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটীঃ সৌমাৰ প্ৰকাশ।



৫.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলৰ প্ৰশ্ন সমূহৰ অতি চমু উত্তৰ লিখক —

(ক) "শিশু সাহিত্যই ভৱিষ্যত সমাজৰ ধৰণী" উক্তিটো কাৰ?

(খ) শিশু সাহিত্যৰ ভাষা কেনে হোৱা উচিত?

(গ) প্ৰথম অসমীয়া শিশু আলোচনী কোনখন?

(ঘ) *গ্ৰীমছ ফেয়াৰী টে'লছ* গ্ৰন্থখনৰ প্ৰণেতা কোন?

(ঙ) বিশ্ব সাহিত্যত শিশু সাহিত্যৰ জনপ্ৰিয়তা কেতিয়াৰ পৰা বাঢ়িবলৈ ধৰে?

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ শিশু সাহিত্যৰ সংজ্ঞা দি তাৰ বৈশিষ্ট্য সম্পৰ্কে লিখক।

প্ৰশ্ন ২ ঃ শিশু সাহিত্যৰ বিষয়বস্তু আৰু উপস্থাপন শৈলী সম্পৰ্কে আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৩ ঃ শিশু সাহিত্যৰ ভাষা আৰু ৰচনাৰীতি সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ৪ ঃ শিশু সাহিত্যৰ মনস্তাত্ত্বিক দিশ সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৫ ঃ অসমীয়া শিশু সাহিত্যৰ বিকাশত বাতৰি কাকত আৰু আলোচনী সমূহৰ ভূমিকা সম্পৰ্কে বুজাই লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অসমীয়া শিশু সাহিত্যৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ২ ঃ সাম্প্ৰতিক সময়ৰ অসমীয়া শিশু সাহিত্য সম্পৰ্কে বহলাই লিখক।

প্ৰশ্ন ৩ ঃ অসমীয়া শিশু সাহিত্যৰ শ্ৰেণী বিভাজন সম্পৰ্কে এটি আলোচনা যুগুত কৰক।

*** ***** ***